# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 28-09-2026
**Time :** 0705 HRS.

ASSAMESE NSD MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। ভাৰতে আজি নৰেন্দ্ৰ মোদী চৰকাৰৰ সন্ত্ৰাসবাদ বিৰোধী নীতিক বিশ্বৰ সন্মুখত এটা নতুন উদাহৰণ হিচাপে উপস্থাপন কৰা ছাৰ্জিকেল ষ্ট্ৰাইকৰ দশম বৰ্ষপূৰ্তি পালন কৰিছে।

২। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ চৰকাৰী ভ্ৰমণসূচীৰে কাটাৰলৈ গৈছে।

৩। আজিৰে পৰা ৰাষ্ট্ৰজুৰি প্ৰস্তাৱিত তিনিদিনীয়া বেংক ধৰ্মঘট কাৰ্যসূচী স্থগিত ৰখা হৈছে।

৪। নেপালত বিগত ৪ দিন ধৰি হৈ থকা প্ৰবল বৰষুণৰ ফলত হোৱা বান আৰু ভূমিস্খলনত ২১ জন লোকে প্ৰাণ হেৰুৱাইছে। *আৰু*

৫। ভাৰতে কালি নিশা ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে তিৰুৱনন্তপুৰমত অনুষ্ঠিত প্ৰথমখন এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত ৮ উইকেটত বিজয় সাব্যস্ত কৰে।

০০০০০

ভাৰতে আজি নৰেন্দ্ৰ মোদী চৰকাৰৰ সন্ত্ৰাসবাদ বিৰোধী নীতিক বিশ্বৰ সন্মুখত এটা নতুন উদাহৰণ হিচাপে উপস্থাপন কৰা ছাৰ্জিকেল ষ্ট্ৰাইকৰ দশম বৰ্ষপূৰ্তি পালন কৰিছে। ২০১৬ চনৰ ২৮ আৰু ২৯ ছেপ্তেম্বৰত ভাৰতীয় সেনাই প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ সীপাৰে পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদীৰ ঘাটিত হঠাতে আক্ৰমণ সংঘটিত কৰিছিল। একেটা মাহৰে আৰম্ভণিত উৰী সন্ত্ৰাসবাদী আক্ৰমণত ১৯ জন ভাৰতীয় সেনা ছহিদ হোৱাৰ প্ৰত্যুত্তৰ হিচাপে এই ছাৰ্জিকেল ষ্ট্ৰাইক কৰা হৈছিল। এই বৰ্ষপূৰ্তিয়ে ৰাষ্ট্ৰীয় নিৰাপত্তাৰ দিশত এটা দশকৰ বিকশিত ব্যৱস্থা সম্পৰ্কে আলোকপাত কৰে। ২০১৬ চনৰ এই সংকল্পই চৰকাৰে পৰৱৰ্তী সময়ত ২০১৯ চনৰ বালাকোট বিমান আক্ৰমণ আৰু ২০২৫ চনৰ অপাৰেচন সিন্দূৰকে ধৰি আন আন সাহসী অভিযানৰ ভেঁটি আছিল বুলি চৰকাৰে উল্লেখ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি আকাশবাণীৰ মন কী বাত অনুষ্ঠানত সন্ত্ৰাসবাদীয়ে আত্মগোপন কৰা স্থানসমূহত চলোৱা এই সামৰিক অভিযানক এটা ঐতিহাসিক মাইলৰ খুঁটি বুলি অভিহিত কৰিছে। তেওঁ বালাকোট বিমান আক্ৰমণ আৰু অপাৰেচন সিন্দূৰৰ উদাহৰণ দি ভাৰতত সন্ত্ৰাসবাদ বিৰোধী অভিযান অব্যাহত আছে বুলিও মত প্ৰকাশ কৰে।

**বাইট (শ্ৰীমোদী)**

০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ চৰকাৰী ভ্ৰমণসূচীৰে কাটাৰলৈ গৈছে। এই ভ্ৰমণৰ সময়ত শ্ৰীমতী সীতাৰমণে আজি ডোহাত আয়োজিত এছিয়ান ইনফ্ৰাষ্ট্ৰাকচাৰ ইনভেষ্টমেণ্ট বেংক চমুকৈ এ আই আই বি-ৰ ব'ৰ্ড অৱ গভৰ্নৰছৰ একাদশ বাৰ্ষিক বৈঠকত অংশগ্ৰহণ কৰিব। শ্ৰীমতী সীতাৰমণে এ আই আই বি-ৰ অধ্যক্ষৰ লগতে জৰ্ডান, ছুইজাৰলেণ্ড, আলজেৰিয়া, ছৌদি আৰৱ আৰু নেপালৰ বিত্তমন্ত্ৰীসকলৰ সৈতেও দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। বিত্ত মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি এই ভ্ৰমণৰ সময়ত শ্ৰীমতী সীতাৰমণ

কাটাৰ চৰকাৰ আৰু দেশখনৰ উদ্যোগপতি তথা বিনিয়োগকাৰীসকলৰ সৈতেও বৈঠকত মিলিত হোৱাৰ কথা আছে।

০০০০০

আজিৰে পৰা ৰাষ্ট্ৰজুৰি প্ৰস্তাৱিত তিনিদিনীয়া বেংক ধৰ্মঘট কাৰ্যসূচী স্থগিত ৰখা হৈছে। সৰ্বভাৰতীয় বেংক কৰ্মচাৰী সংগঠনে ধৰ্মঘট স্থগিতকৰণৰ বিষয়ে নিশ্চিত কৰিছে। ভাৰতীয় বেংক সংগঠন-আই বি এ-ৰ সৈতে হোৱা এখন চুক্তি অনুসৰি এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত  সৰ্বভাৰতীয় বেংক কৰ্মচাৰী সংগঠনে কৈছে যে যোৱা নিশা ধৰ্মঘট পালনৰ বিভিন্ন কাৰণ সন্দৰ্ভত ইউনাইটেড ফ'ৰাম অৱ বেংক ইউনিয়নৰ সৈতে হোৱা এখন বৈঠকৰ অন্তত এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

০০০০০

**সমগ্ৰ ৰাষ্ট্ৰই আজি মহান বিপ্লৱী শ্বহীদ  ভগত সিঙৰ ১১৯ সংখ্যক জয়ন্তীত তেওঁলৈ শ্ৰদ্ধা নিবেদন কৰিছে। ১৯০৭ চনৰ আজিৰ দিনটোতে পাঞ্জাবৰ লায়লপুৰ জিলাৰ বাংগা গাঁৱত বৰ্তমান পাকিস্তানত ভগত সিঙৰ জন্ম হৈছিল।**

০০০০০

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি নতুন দিল্লীত চলিত বৰ্ষৰ ৰবি শস্য অভিযান বিষয়ক এখন দুদিনীয়া ৰাষ্ট্ৰীয় সন্মিলন উদ্বোধন কৰিব। সমাগত ৰবি শস্যৰ বতৰৰ বাবে প্ৰস্তুতি আৰু অগ্ৰাধিকাৰৰ মূল বিষয়সমূহ সন্দৰ্ভত আলোচনাৰ উদ্দেশ্যে কৃষি আৰু কৃষক কল্যাণ বিভাগে এই সন্মিলনৰ আয়োজন কৰিছে। কৃষি মন্ত্ৰালয়ে এখন বিজ্ঞপ্তিযোগে প্ৰকাশ কৰা অনুসৰি দুদিনীয়া এই সন্মিলনখনত কৃষি উৎপাদন বৃদ্ধিৰ উদ্দেশ্যে কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজৰ সহযোগিতা তথা উন্নত ফলাফল আধাৰিত কৌশল আৰু কৃষকসকলৰ উপাৰ্জন বৃদ্ধি সন্দৰ্ভত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। শেহতীয়াকৈ অনুষ্ঠিত কৃষি বিষয়ক মাণ্ডলিক সন্মিলনৰ মূল বিষয় আৰু ফলাফল সন্দৰ্ভতো আলোচনাৰ আয়োজন কৰা হ'ব। সন্মিলনৰ প্ৰথম দিনা আত্মনিৰ্ভৰতা, বৈচিত্ৰ্যতা আৰু উৎপাদন বৃদ্ধি, জলবায়ু স্থিতিস্থাপক কৃষি, ডিজিটেল কৃষি পদ্ধতি, আন্তঃগাঁথনি আদি বিভিন্ন বিষয় সামৰি আলোচনা অনুষ্ঠিত হ'ব। এই সন্মিলনে ৰাজ্যৰ কৃষিমন্ত্ৰীসকলক তেওঁলোকৰ অভিজ্ঞতা আৰু মতামতৰ লগতে নিজ নিজ ৰাজ্যৰ অগ্ৰাধিকাৰ আৰু কৃষি উন্নয়নৰ বাবে দিহা-পৰামৰ্শ তথা ৰবি শস্যৰ বতৰৰ প্ৰস্তুতি সন্দৰ্ভত মত বিনিময়ৰ সুবিধা প্ৰদান কৰিব।

০০০০০

পশুপালন আৰু দুগ্ধ উৎপাদন বিভাগে আজি নতুন দিল্লীত পশুধন বীমা প'ৰ্টেল এটা মুকলি কৰিব। কেন্দ্ৰীয় মীন, পশুপালন আৰু দুগ্ধ উৎপাদন মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে এই প'ৰ্টেলটো আনুষ্ঠানিকভাৱে মুকলি কৰিব। ইয়াৰ জৰিয়তে দেশত পশুধন বীমা সেৱাৰ ডিজিটেল পৰিৱৰ্তনৰ ক্ষেত্ৰত বিশেষ মাইলৰ খুঁটি স্থাপন হ'ব বুলি আশা কৰা হৈছে। মীন, পশুপালন আৰু দুগ্ধ উৎপাদন মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি এই প'ৰ্টেলটোৱে পশুধনৰ বীমাৰ বাবে এখন একক আৰু সংহত ডিজিটেল মঞ্চ প্ৰদান কৰিব। হিন্দী আৰু ইংৰাজীৰ উপৰি ১১টা আঞ্চলিক ভাষাক এই প'ৰ্টেলটো উপলভ্য হ'ব বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০০

নেপালত বিগত ৪ দিন ধৰি হৈ থকা প্ৰবল বৰষুণৰ ফলত হোৱা বান আৰু ভূমিস্খলনত ২১ জন লোকে প্ৰাণ হেৰুৱাইছে। ৫ জন লোক এতিয়াও নিৰুদ্দেশ হৈ থকাৰ লগতে ৫ জন লোক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছে। দেশখনৰ ৰাষ্ট্ৰীয় দুৰ্যোগৰ ভাবুকি হ্ৰাস আৰু ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা তথ্য

অনুসৰি ভূমিস্খলনৰ বাবেই সৰ্বাধিক ১৪ জন লোকে প্ৰাণ হেৰুৱাৰ লগতে ৫ জন লোক নিৰুদ্দেশ হৈ আছে। সমগ্ৰ দেশখনত বতৰৰ এই প্ৰতিকূল পৰিস্থিতিৰ বাবে ২৪৭টা পৰিয়াল প্ৰত্যক্ষভাৱে প্ৰভাৱিত হোৱাৰ উপৰি ২৬০টা গৃহ সম্পূৰ্ণভাৱে আৰু আন ৮০টা আংশিকভাৱে ধ্বংস হৈছে। বংগোপসাগৰত সৃষ্টি হোৱা নিম্নচাপৰ পৰিপ্ৰেক্ষিতত দেশখনৰ বিভিন্ন অঞ্চলত যোৱা ২৪ৰ পৰা ২৭ ছেপ্তেম্বৰলৈ অতি প্ৰবল বৰষুণ হৈছে।

০০০০০

এছিয়ান গেমছৰ পুৰুষৰ ক্ৰিকেটৰ দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত আজি ভাৰত আফগানিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন পুৱা চাৰে ১০ বজাত আৰম্ভ হ'ব। শ্ৰেয়াছ আয়াৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে উৎকৃষ্ট প্ৰদৰ্শনেৰে সোণৰ পদকৰ বাবে আপ্ৰাণ চেষ্টা চলাব।

০০০০০

বিৰাট কোহলি আৰু শুভমন গিলৰ অনবদ্য শতকৰ সহায়ত ভাৰতে কালি নিশা ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে তিৰুৱনন্তপুৰমত অনুষ্ঠিত প্ৰথমখন এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত ৮ উইকেটত বিজয় সাব্যস্ত কৰে। কোহলিয়ে ১৩৯ আৰু ঋতুৰাজ গাইকোৱাড়ে ১৩ ৰান কৰি অপৰাজিত হৈ থাকে। ২৯৬ ৰানৰ বিজয় লক্ষ্য অনুসৰণ কৰি ভাৰতে ৪১ অভাৰ ৪টা বলত ৩০০ ৰান কৰি তিনিখনীয়া এদিনীয়া শৃংখলাত ১-০ৰ অগ্ৰগতি লাভ কৰে। প্ৰাক্তন অধিনায়ক কোহলিৰ শতকে ভাৰতৰ জয়ত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰে। এয়া আছিল কোহলিৰ এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত ৫৫ সংখ্যক শতক। ইপিনে শচীন তেণ্ডুলকাৰৰ পাছতে এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত ১৫ হাজাৰ ৰান সম্পূৰ্ণ কৰা তেওঁ দ্বিতীয়জন বেটছমেন হিচাপে পৰিগণিত হৈছে। অধিনায়ক গিলেও ১১০ ৰানেৰে দলৰ জয়ত বিশেষ বৰঙণি আগবঢ়ায়। ইয়াৰ পূৰ্বে ৱেষ্ট ইণ্ডিজে নিৰ্ধাৰিত ৫০ অভাৰত ৭টা উইকেটৰ বিনিময়ত ২৯৫ ৰান কৰে। দলটোৰ হৈ জাষ্টিন গ্ৰিভছে সৰ্বাধিক ১০১ আৰু জন কেম্বেলে ৬২ ৰান কৰে। ভাৰতৰ হৈ কুলদীপ যাদৱে ৪টা আৰু প্ৰসিদ্ধ কৃষ্ণাই দুটা আৰু নীতিশ কুমাৰ ৰেড্ডীয়ে এটা দখল কৰে। কুলদীপ যাদৱক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

০০০০০

এছিয়ান গেমছৰ পুৰুষৰ হাই জাম্পত দেশৰ হৈ ৰূপৰ পদক অৰ্জন কৰা সৰ্বেশ কুশ্বাৰেক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শুভেচ্ছা জ্ঞাপন কৰিছে। এটা শুভেচ্ছা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে এই জয়ৰ জৰিয়তে শ্ৰীকুশ্বাৰেই এই শিতানত ভাৰতৰ পাঁচ দশকজোৰা অপেক্ষাৰ অৱসান ঘটাইছে। শ্ৰীমোদীয়ে লগতে মহিলাৰ ৩০০ মিটাৰ ষ্টিপলচেজত ব্ৰঞ্জৰ পদক অৰ্জন কৰা পাৰুল চৌধাৰীকো শুভেচ্ছা জ্ঞাপন কৰিছে। ইপিনে পুৰুষৰ ডেকাথলনত ব্ৰঞ্জৰ পদক লাভ কৰাৰ বাবে তেজস্বীন শংকৰকো তেওঁ শুভেচ্ছা জ্ঞাপন কৰে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে এছিয়ান গেমছৰ স্কোৱাছৰ পুৰুষ আৰু মহিলাৰ উভয় শাখাত ৰূপৰ পদক অৰ্জন কৰাৰ বাবে অনাহট সিং আৰু অভয় সিঙক শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ লগতে পুৰুষৰ হাই জাম্পত ৰূপ পদক অৰ্জন কৰা সৰ্বেশ কুশ্বাৰে আৰু মহিলাৰ হাই জাম্পত ৰূপৰ পদক পদক অৰ্জন কৰা এনচী ছোজানকো শুভেচ্ছা জ্ঞাপন কৰে। ইপিনে পুৰুষৰ ডেকাথলনত ব্ৰঞ্জৰ পদক অৰ্জন কৰা তেজস্বীন শংকৰৰ লগতে মহিলাৰ ২০০ মিটাৰ আৰু ৩০০ মিটাৰ ষ্টিপলচেজত ৰূপৰ পদক অৰ্জন কৰা হৰিতা ভদ্ৰা আৰু পাৰুল চৌধাৰীকো তেওঁ শুভেচ্ছা জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে খেলুৱৈসকলৰ উৎকৃষ্ট প্ৰদৰ্শন আৰু একাগ্ৰতাই দেশৰ বাবে বিশেষ সন্মান কঢ়িয়াই আনিছে।

০০০০০

সমাপ্ত